**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-12-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

চলিত বছৰত ৰাজ্যত পথ দুৰ্ঘটনা ৭২ দশমিক ৫-৬ শতাংশ বৃদ্ধি পাইছে। অৱশ্যে দুৰ্ঘটনাত মৃত্যুৰ হাৰ যোৱা বছৰৰ তুলনাত এই বছৰ ১৪ দশমিক ২-৮ শতাংশ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আৰক্ষী, পথ পৰিবহণকে ধৰি কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে হোৱা বৈঠকৰ পাছত এই বিষয়ে প্ৰকাশ কৰি কয়, যে অসম হৈছে পথ দুৰ্ঘটনাত মৃত্যু হ্ৰাস হোৱা দেশৰ একমাত্ৰ ৰাজ্য। যোৱাবছৰ ৰাজ্যখনত ৬ হেজাৰ ৬৯৮টা দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে এইবাৰ ৰাজ্যখনত সংঘটিত দুৰ্ঘটনাৰ সংখ্যা ১১ হাজাৰ ৫৫৮ লৈ বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে সমাগত উৎসৱৰ সময়ছোৱাৰ উপৰি অন্য সময়তো ৰাজ্যখনক পথ দুৰ্ঘটনাৰ পৰা মুক্ত কৰি ৰাখিবলৈ চৰকাৰে নিশা ১০ বজাৰ পাছত সুৰাপান কৰি গাড়ী চলোৱা ব্যক্তিক চিনাক্ত কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। বৰ্ধিত দুৰ্ঘটনা নিয়ন্ত্ৰণৰ বাবে গুৱাহাটী বাইপাছৰ ষ্ট্ৰিট লাইট, ফুট অভাৰব্ৰীজ, প্ৰতিফলক আদি স্থাপনৰ কাম ত্বৰান্বিত কৰাৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। এই বৈঠকতে ড০ শৰ্মাই বাণিজ্যিক ট্ৰাক তথা অন্যান্য বাহনৰ পিছফালে প্ৰতিফলক লগোৱাৰ ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ সীমান্তৱৰ্তী জিলাসমূহৰ আৰক্ষী অধীক্ষকক বিশেষ নিৰ্দেশনা প্ৰদান কৰে। তদুপৰি এনে বাহনৰ চালকসকলৰ দৃষ্টি পৰীক্ষা কৰাৰ লগতে চিকিৎসাৰ সুবিধা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

oooooo

কেন্দ্ৰীয় চৰকাৰে নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম-আলফা স্বাধীনক অবৈধ সংগঠন হিচাপে পৰিগণিত হৈ থকাৰ পৰ্যাপ্ত কাৰণ আছে নে নাই সেই বিষয়ে বিবেচনা কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মাইকেল জোথানখুমাইৰ নেতৃত্বত এখন ন্যায়াধীকৰণ গঠন কৰিছে। এই অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ন্যায়াধীকৰণে সংগঠনটোৰ আন আন গোট আৰু শাখাসমূহৰ সন্দৰ্ভতো অনুসন্ধান কৰিব।

উল্লেখযোগ্য যে, ১৯৯০ চনত কেন্দ্ৰীয় চৰকাৰে অপৰাধমূলক কাৰ্যকলাপ, বলপূৰ্বক ধন দাবী আৰু বিচ্ছিন্নতাবাদী কাৰ্যকলাপত জড়িত থকা বুলি সংযুক্ত মুক্তি বাহিনী অসম চমুকৈ আলফাক চিনাক্ত কৰি ইয়াক নিষিদ্ধ উগ্ৰপন্থী সংগঠন হিচাপে ঘোষণা কৰিছিল। তাৰ পাছত পৰিস্থিতি বিবেচনা কৰি প্ৰতি ৫ বছৰৰ মূৰে মূৰে আলফাৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা পুনৰ বলৱৎ কৰা হৈছিল। অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফাৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ যোৱা বছৰৰ ২৯ ডিচেম্বৰত শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। অৱশ্যে সংগঠনটোৰ স্বয়ম্ভু সেনাধক্ষ্য পৰেশ বৰুৱা নেতৃত্বাধীন স্বাধীনপন্থী আলফা গোটে এই আলোচনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা নাছিল।

ooooooo

বিশ্বৰ খ্ৰীষ্টধৰ্মী লোকসকলৰ পৱিত্ৰ বৰদিন উপলক্ষে মাজনিশাৰ বিশেষ সমূহীয়া প্ৰাৰ্থনাৰ বাবে গীৰ্জাসমূহ সজাই-পৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্টিষ্ট চাৰ্চ গীৰ্জা, পাণবজাৰৰ ডনবস্ক' গীৰ্জা, খ্ৰীষ্টানবস্তিৰ গীৰ্জা, সোণাইঘূলিৰ গীৰ্জা আদি বিভিন্ন গীৰ্জা বৰ্তমান আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা

আদিৰে সুশোভিত কৰা হৈছে আৰু কেৰলেৰে মুখৰ হৈ পৰিছে। খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসভৱনসমূহো আলোকসজ্জাৰে সজ্জিত কৰা হৈছে।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰিছে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিনৰ আয়োজন চলিছে।

উত্তৰ-পূব ভাৰতৰ দ্বিতীয় পুৰণি গীৰ্জা ৰূপে পৰিচিত শিৱসাগৰ ব্যাপ্তিষ্ট গীৰ্জাত কালিৰে পৰা বৰদিনৰ বিশেষ অনুষ্ঠানত ভালেসংখ্যক ভক্তই অংশগ্ৰহণ কৰিছে। ধুবুৰী, বিলাসীপাৰা, মানকাচৰ, নগাঁও, গোলাঘাট, ডিব্ৰুগড় আদিৰ পৰাও বৰদিন উদযাপনৰ ব্যাপক প্ৰস্তুতি চলাৰ বাতৰি পোৱা গৈছে।

চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰ বৰ্তমান বৰদিনৰ আনন্দ-উল্লাসত বিভোৰ হৈ পৰা দেখা গৈছে। শ্বিলঙৰ বৰদিন উপভোগৰ বাবে দেশ-বিদেশৰ বহু পৰ্যটকৰ আগমন ঘটাও দেখা গৈছে। কোহিমা, আইজল, তুৰা আদিকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ পৰা বৰদিনৰ প্ৰাক সন্ধিয়া আনন্দ-উল্লাস সৃষ্টি হোৱাৰ বাতৰি আহিছে।

০০০০০০

কংগ্ৰেছ দলে আজি ৰাজ্যখনৰ বিভিন্ন স্থানত বাবাছাহেব ড° ভীমৰাও আম্বেদকাৰ সন্মান যাত্ৰা অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত কংগ্ৰেছ কৰ্মীসকলে ড° আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি তেজপুৰত এই কাৰ্যসূচীত ভাগ লয়। গুৱাহাটীতো আজি কংগ্ৰেছ দলে ড° আম্বেদকাৰ সন্মান যাত্ৰা অনুষ্ঠিত কৰে।

০০০০০

শোণিতপুৰ জিলাত জলজীৱন মিছনৰ অধীনত বিশুদ্ধ খোৱাপানী যোগান ব্যৱস্থা সফল কৰি তোলাৰ ক্ষেত্ৰত বিশেষ অৱদান থকা ব্যক্তি তথা সংগঠনসমূহক আজি জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু শোণিতপুৰ জিলা পানী আৰু অনাময় সমিতিৰ উদ্যোগত জল সেৱা বঁটা প্ৰদান কৰা হয়। শোণিতপুৰ জিলাৰ আয়ুক্ত, অতিৰিক্ত আয়ুক্ত তথা বিভাগীয় জ্যেষ্ঠ বিষয়াৰ উপস্থিতিত মুঠ ২৪ গৰাকী ব্যক্তি আৰু সংগঠনক আজি শ্ৰেষ্ঠ জল মিত্ৰ, শ্ৰেষ্ঠ ঠিকাদাৰ, শ্ৰেষ্ঠ পানী উপভোক্তা সমিতি, শ্ৰেষ্ঠ পঞ্চায়ত আৰু শ্ৰেষ্ঠ জলদূত আদি বিভিন্ন শিতানত সন্মানিত কৰা হয়।

০০০০০০০

**সমাপ্ত**